জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫/২০২১

# সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ ষষ্ঠ দ্বি-বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে বৰ্তমানৰ অসম চৰকাৰখনেই খিলঞ্জীয়াৰ আৰ্তনাদ উপলব্ধি কৰিছেঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৫ জানুৱাৰী ঃ** ‘বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে সকলো শ্ৰেণীৰ জনসাধাৰণক আস্থা আৰু বিশ্বাসত লৈ শান্তি, সম্প্ৰতি সুদৃঢ় কৰিবলৈ বিগত চাৰে চাৰি বছৰে নিষ্ঠাৰে পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰৰ দৃষ্টান্তমূলক পদক্ষেপসমূহৰ ফলস্বৰূপে অসমত কোনোধৰণৰ গোষ্ঠীগত সংঘৰ্ষ সংঘটিত হোৱা নাই। ৰাইজৰ পূৰ্ণ সহযোগিতাৰ বাবে অসমত স্থায়ী শান্তি প্ৰতিষ্ঠা সম্ভৱ হৈ উঠিছে।’ আজি তিনিচুকীয়া জিলাৰ ডাঙৰীৰ বিহিয়া গাঁৱৰ দণ্ডিধৰ ফাটোৱালী সমন্বয় ক্ষেত্ৰত আয়োজিত সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ ষষ্ঠ দ্বি-বাৰ্ষিক অধিৱেশনত প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ২০১৬ চনত চৰকাৰ গঠন কৰাৰ সময়ৰে পৰা ৰাজ্য চৰকাৰে এখন দুৰ্নীতিমুক্ত, বিদেশীমুক্ত, সন্ত্ৰাসবাদমুক্ত আৰু প্ৰদূষণমুক্ত অসম গঢ়িবলৈ দিনে-নিশাই কাম কৰিছে। অসম চৰকাৰৰ দুৰ্নীতিবিৰোধী পদক্ষেপৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰশাসন যন্ত্ৰ শুদ্ধ, নিকা আৰু স্বচ্ছ হ’লে ৰাইজৰ আস্থা আৰু বিশ্বাস গাঢ় হয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যিক লোকসেৱা আয়োগত সাধন কৰা সংস্কাৰৰ ফলত মেধাৰ ভিত্তিত যুৱক-যুৱতীসকলে কৰ্ম সংস্থাপন লাভ কৰিবলৈ সক্ষম হৈছে। এপিএছচিকে ধৰি দুৰ্নীতি সংক্ৰান্ত সকলোধৰণৰ ৰাজহুৱা অভিযোগৰ বিৰুদ্ধে দৃষ্টান্তমূলক পদক্ষেপ গ্ৰহণ কৰা হৈছে।

চৰকাৰ গঠন কৰাৰ সময়তে ৰাজ্যবাসীক প্ৰদূষণমুক্ত অসম গঢ়াৰ প্ৰতিশ্ৰুতি দিয়াৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যৰ সেউজ আৱৰণ বৃদ্ধি কৰিবলৈ চাৰে চাৰি বছৰে অসম চৰকাৰে ৮.৫০ কোটি জোপা ফল, ফুল, ঔষধি গছপুলি ৰোপন কৰিছে। ফৰেষ্ট চাৰ্ভে অৱ ইণ্ডিয়াৰ প্ৰতিবেদনত ৰাজ্যত বনাঞ্চলৰ পৰিমাণ ২২২ বৰ্গ কিলোমিটাৰ বৃদ্ধি পাইছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়। সন্ত্ৰাসবাদমুক্ত অসম গঢ়াৰ দিশত অসম চৰকাৰে লাভ কৰা সফলতাৰ বাবে আজি বহু উগ্ৰপন্থীয়ে হিংসাৰ পথ ত্যাগ কৰি শান্তিৰ পথ বাছি লৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্যত শান্তি প্ৰতিষ্ঠা হোৱাৰ ফলত অৰ্থনীতিৰ বিকাশ ত্বৰান্বিত হৈছে আৰু বহু ঔদ্যোগিক গোষ্ঠীয়ে উদ্যোগ প্ৰতিষ্ঠাৰ বাবে আগবাঢ়ি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে বিশ্ব বিনিয়োগ সন্মিলনৰ পৰৱৰ্তী সময়ত ৰাজ্যত ৫৫ হাজাৰ কোটি

টকাৰ বিনিয়োগ হৈছে। ভাৰত-বাংলা সীমান্ত ছীল কৰাৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যৌথ পদক্ষেপসমূহৰ বিষয়ে মুখ্যমন্ত্ৰী সোণোৱালে ভাষণ প্ৰসংগত উল্লেখ কৰে।

স্বৰ্গদেউ চাওল্যুং চ্যুকাফাৰ আদৰ্শৰে অসম চৰকাৰে সমন্বয়ৰ বাতাৱৰণ গঢ়ি তোলাৰ বাবে লোৱা পদক্ষেপসমূহ সফল হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰতিটো জাতি-জনগোষ্ঠীৰ স্বাৰ্থ আৰু অধিকাৰ সুৰক্ষিত কৰিবলৈ ৰাজ্য চৰকাৰে নিষ্ঠাৰে কাম কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে বৰ্তমানৰ অসম চৰকাৰখনেই খিলঞ্জীয়াৰ আৰ্তনাদ উপলব্ধি কৰিছে। ইতিমধ্যে ৰাজ্যৰ ১ লাখ ভূমিহীন খিলঞ্জীয়া পৰিয়ালক মাটিৰ পট্টা প্ৰদান কৰাৰ লগতে আগন্তুক সময়ছোৱাত আৰু ১ লাখ ভূমিহীন খিলঞ্জীয়া ভূমিহীন লোকক মাটিৰ পট্টা প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়।

সোণোৱাল কছাৰী জনগোষ্ঠীৰ সৰ্বাংগীন বিকাশৰ বাবে সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাই লোৱা পদক্ষেপৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত ছাত্ৰ সংগঠনটোৱে আগবঢ়োৱা পদক্ষেপৰ শলাগ লয়। মুখ্যমন্ত্ৰীয়ে লগতে জনগোষ্ঠীটোৰ উঠি অহা প্ৰজন্মক শিক্ষাৰ প্ৰতি অধিক ধাউতিশীল হ'বলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰী সোণোৱালে ভাষণ প্ৰসংগত ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সকলোধৰণৰ অভাৱ অভিযোগ দূৰ কৰাৰ বাবে ব্যৱস্থা লোৱাৰ উপৰি অঞ্চলটোত এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ বাবে ইতিবাচক দৃষ্টি ভংগীৰে ব্যৱস্থা ল'ব বুলি আশ্বাস প্ৰদান কৰে। তদুপৰি বাইথৌ সাংস্কৃতিক প্ৰকল্প যাতে এক আকৰ্ষণীয় আধ্যাত্মিক প্ৰকল্প হিচাপে গঢ় লৈ উঠে তাৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰী সোণোৱালে কয়।

অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী সোণোৱালে বাইথৌ সংস্কৃতিৰ সাধক তথা বাইথৌ মন্দিৰৰ প্ৰাক্তন মজিন্দাৰ প্ৰমোদ সোণোৱালক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। ৰাজ্যিক লোকসেৱা আয়োগৰ দ্বাৰা আয়োজিত সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা- ২০১৮ সফলতা লাভ কৰা জনগোষ্ঠীটোৰ যুৱক-যুৱতীকো মুখ্যমন্ত্ৰীয়ে সম্বৰ্দ্ধনা জনায়।

শদিয়া সমষ্টিৰ বিধায়ক তথা অভ্যৰ্থনা সমিতিৰ সভাপতি বলিন চেতিয়াই আদৰণী ভাষণ আগবঢ়োৱা সভাত সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি দেবানন্দ চেলেঙে নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে। সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি বিদ্যুৎ সোণোৱালে সভাপতিত্ব কৰা এই সভাত কেন্দ্ৰীয় খাদ্য সংসাধন মন্ত্ৰী ৰামেশ্বৰ তেলী, সাংসদ প্ৰদান বৰুৱাই ভাষণ প্ৰদান কৰে। সভাত অসম চৰকাৰৰ চাহ জনগোষ্ঠী কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ; বিধায়ক বিনোদ হাজৰিকা, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাক্ৰাৰী, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ উপমুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল, সদৌ অসম সোণোৱাল কছাৰী কল্যাণ সংঘৰ সভাপতি ভূবন চন্দ্ৰ বৰা, সদৌ অসম সোণোৱাল কছাৰী নাৰী সন্থাৰ সভাপতি ৰশ্মিৰেখা সোণোৱাল প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বীঃগঃ**

**৫-০১-২০২১**